**১২.১০ ক্রিয়াপদৰ অন্যান্য ৰূপ ঃ** বিবিধ কাল জ্ঞাপক আৰু ভাব প্ৰকাশক ক্রিয়াপদৰ বাহিৰেও অসমীয়া ভাষাত আৰু বিভিন্ন প্ৰকাৰৰ ক্রিয়াপদ আছে। সেইবোৰ হৈছে ঃ পাঁচনি ক্রিয়া, নামক্রিয়া, অনিয়মিত ক্রিয়া, নএৰ্থক ক্রিয়া, সহায়কাৰী ক্রিয়া, তুমুনন্ত বা নিমিতাৰ্থক ক্রিয়া আৰু কৃদন্ত।

**১২.১০.১ পাঁচনি ক্রিয়া ঃ** আনক পাঁচি বা আনৰ হতুৱাই কোনো কাৰ্য কৰা বুজোৱা ক্রিয়াপদ বোৰেই পাঁচনি ধাতু। আ আৰু -ওৱা/-উৱা প্ৰত্যয়ান্ত পাঁচনি ধাতুত কাল আৰু পুৰুষবাচক বিভক্তি যোগ দি পাঁচনি ক্রিয়া গঠন কৰা হয়। যেনে,

মই বা আমি তাক **পঢ়ুৱাওঁ**।

তুমি বা তোমালোকে তাক **পঢ়ুৱালা**।

সি, তাই বা সিহঁতে **পঢ়ুৱাব**।
তাৰ দ্বাৰা গান **গোৱাইছোঁ**।।
তুমি তাৰ হতুৱাই কামটো **কৰালা**।

অসমীয়াত ব্যৱহৃত কিছুমান পাঁচনি ক্ৰিয়া মূল হৈছেঃ **কোৱা, কৰা, পলুৱা, শিকা, শুৱা, সুমুৱা, ৰখোৱা, কন্দুৱা, নচুৱা, দেখুৱা, সকুৱা, হুঁহুৱা** ইত্যাদি।

**১২.১০.২ নামক্ৰিয়া ঃ** -আ, -ইয়া আৰু -উৱা প্ৰত্যয়ান্ত বিশেষ্য আৰু বিশেষণ শব্দত কালবাচক প্ৰত্যয় আৰু পুৰুষবাচক বিভক্তি যোগ দি নামক্ৰিয়া গঠন কৰা হয়। দৰাচলতে বিশেষ্য আৰু বিশেষণ শব্দত **-আ, -ইয়া** আৰু **-উৱা** প্ৰত্যয় যোগত নামধাতু গঠিত হয় আৰু সেই ধাতুত কাল আৰু পুৰুষবাচক প্ৰত্যয় বিভক্তি যোগ দি যি ক্ৰিয়াপদ গঠন কৰা হয়, সিয়েই নামক্ৰিয়া (denominative verb)। যেনে,

সি তাক **কিলালে**।
পানী কেট্‌লি **তপতালোঁ**।
তুমি তাক **গুৰিয়ালা কিয়**?
আমি **আগুৱাইছোঁ**।
তোমালোক **পিছুৱাইছা** কিয়? ইত্যাদি।

অসমীয়াত ব্যৱহৃত কিছুমান নামক্ৰিয়া হৈছেঃ ডবিয়াইছা, সুখৰিয়াইছোঁ, টঙনিয়ালে, পিছুৱালা, লঠিয়াম, দলিয়াম ইত্যাদি।

**১২.১০.৩ অনিয়মিত ক্ৰিয়া ঃ** সকলো কাল আৰু পুৰুষত ৰূপ নোহোৱা ক্ৰিয়াবোৰেই অনিয়মিত ক্ৰিয়া। অসমীয়াত অনিয়মিত ক্ৰিয়া চাৰিটা ঃ নাই, বল্, আছ্ আৰু থাক।

**নাই**টো নঞৰ্থক ক্ৰিয়া। ই অস্ত্যৰ্থক আছ আৰু থক্ ধাতুৰ বিপৰীত অৰ্থত ব্যৱহাৰ হয়। কেৱল নিত্যবৰ্তমান কালত আৰু সকলো পুৰুষত ইয়াৰ একে ধৰণৰ ৰূপ হয়। যেনে,

মই - আমি ঘৰত **নাই**।
তই, তুমি, তোমালোক ঘৰত **নাই**।
সি, তাই,সিহঁত ঘৰত **নাই**।

**নাই** কেতিয়াবা বিশেষণ ৰূপেও ব্যৱহাৰ হয়। যেনে, **নাই** মোমাইতকৈ কণা মোমায়ে ভাল। কেতিয়াবা **নাই**-ৰ পিছত **কিয়া** লগাই 'নাইকিয়া' নঞৰ্থক ক্ৰিয়াপদ কৰা হয়। অৰ্থ প্ৰায় একেই যদিও ইয়াৰ প্ৰয়োগ কিছু বেলেগ। **নাই** ক্ৰিয়াপদ প্ৰশ্ন সোধাতো ব্যৱহাৰ কৰা হয়। কিন্তু **নাইকিয়া** ক্ৰিয়াপদ প্ৰশ্নাৰ্থত ব্যৱহৃত নহয়। এই ক্ৰিয়াপদত 'শেষ হোৱাৰ' ভাব এটা নিহিত আছে। যেনে,

মানুহবোৰ গৈ এটাও **নাইকিয়া** হ'ল।
বান্দৰে কল খাই **নাইকিয়া** কৰিলে।

একে নঞৰ্থক যদিও এনেবোৰ বাক্যত **নাইকিয়া**ৰ ঠাইত **নাই** ব্যৱহাৰ কৰিব নোৱাৰি।

**বল্** ধাতু কেৱল নিত্য বৰ্তমান কালৰ অনুজ্ঞাত অৰ্থাৎ আদেশ, অনুৰোধ অৰ্থত